# গোট-১

# উপনিষদৰ পৰিচয়

# (Introduction to Upanishads)

## ভূমিকা

## (Introduction)

ভাৰতীয় দৰ্শনৰ মূল উৎস হৈছে বেদ আৰু উপনিষদ। বেদ আৰু উপনিষদৰ পৰাই ভাৰতীয় দৰ্শনৰ আৰম্ভণি। উপনিষদে ভাৰতীয় চিন্তাধাৰা, দৰ্শন আৰু সংস্কৃতিৰ মূল উৎস। গতিকে ভাৰতীয় ধৰ্ম, দৰ্শন, সভ্যতা, সংস্কৃতিত বেদ আৰু উপনিষদৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক ভাৰতীয় আস্তিক-নাস্তিক আদি সকলো দৰ্শনত বেদ আৰু উপনিষদে এক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। বেদ আৰু উপনিষদৰ দৰ্শন বা তাত্ত্বিক বিষয়বস্তুসমূহকে ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়ত বিভিন্ন ধৰণে ব্যাখ্যা কৰা দেখা যায়। উপনিষদ বেদৰ সৰ্বশেষ অংশ কাৰণে উপনিষদক 'বেদান্ত' বুলিও কোৱা হয়। পৰৱৰ্তী সময়ত ভাৰতীয় বেদান্ত সম্প্ৰদায়ত উপনিষদৰ বহু তত্ত্বৰ ব্যাখ্যা পোৱা যায়।

উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ— এই তিনি শাস্ত্ৰক 'প্ৰস্থানত্ৰয়ী' বুলি কোৱা হয়। এই তিনি শাস্ত্ৰ সনাতন ধৰ্মৰ প্ৰধান স্তম্ভস্বৰূপ কাৰণে ইয়াক 'প্ৰস্থানত্ৰয়ী' বুলি অভিহিত কৰা হয়। আকৌ, কিছুমানৰ মতে, 'প্ৰস্থান' কথাৰ তাৎপৰ্য এই যে, এই তিনিটা ধ্ৰুৱতৰাক লক্ষ্য কৰি সংসাৰ সমূদ্ৰযাত্ৰী মোক্ষৰ পথেৰে প্ৰস্থান কৰে। এই তিনি শাস্ত্ৰত অধ্যয়ন কৰি সাধকে মোক্ষৰ পথত অগ্ৰসৰ হোৱা কাৰণে ইয়াক 'প্ৰস্থানত্ৰয়ী' বোলা হয়। উপনিষদ শ্ৰৱণাত্মক, গীতা নিদিধ্যাসনাত্মক আৰু ব্ৰহ্মসূত্ৰ হ'ল মননাত্মক।

উপনিষদৰ তত্ত্বদৰ্শন যিদৰে মানুহক পৰমজ্ঞানত লাভত সহায় কৰে,

CamScanner

সেইদৰে মনৰ অভ্যন্তৰ উপনিষদে এক অতীব শান্তি প্ৰতিষ্ঠা কৰে। ড° ৰাধাকৃষ্ণণৰ মতে, উপনিষদৰ লক্ষ্য যিমানখিনি দাৰ্শনিক সত্যত উপনীত হোৱা তাতকৈ বেছি মানৱাত্মাত শান্তি আৰু স্বাধীনতা প্ৰতিষ্ঠা কৰা। উপনিষদত আছে মুক্তজ্ঞানৰ অন্তহীন বস, ব্ৰহ্মজ্ঞান বা আত্মোপলব্ধিৰ সঠিক পথ। জ্ঞানৰ প্ৰতি তীব্ৰ আকাংক্ষা, সত্য প্ৰতিষ্ঠাৰ অস্থিৰ প্ৰচেষ্টা, তত্ত্বানুসন্ধানৰ নিৰলস ইচ্ছা উপনিষদৰ ৰচনাৱলী অধ্যয়ন কৰিলে লাভ কৰা যায়।

উপনিষদৰ দৰ্শনৰ ওপৰত এক সম্যক আলোচনা আগবঢ়োৱাৰ উদ্দেশ্যে প্ৰস্তুত অধ্যায়ত (গোটত) প্ৰথমতে বেদৰ এক প্ৰাথমিক ধাৰণা দিয়াৰ চেষ্টা কৰা হৈছে আৰু বেদৰ পৰা উপনিষদৰ কিদৰে উৎপত্তি হ'ল তাৰো ওপৰত বিস্তাৰিত আলোচনা কৰা হৈছে। ইয়াৰ লগতে ইয়াত উপনিষদৰ পৰিচয়, সংখ্যা আৰু শ্ৰেণীবিভাগ, উপনিষদীয় যুগৰ সামাজিক অৱস্থা আৰু বিভিন্ন উপনিষদসমূহৰ দাৰ্শনিক ধাৰণাৰ ওপৰত এক সম্যক ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে।

## বেদৰ পৰিচয়

## (Introduction to Vedas)

বেদ বিশ্বসাহিত্যৰ সবাতোকৈ প্ৰাচীন গ্ৰন্থ। বেদ ভাৰতৰ এক অতি প্ৰাচীনতম আৰু আদিতম ধৰ্মীয় আৰু দাৰ্শনিক গ্ৰন্থ। ভাৰতৰ সকলো দৰ্শন, সাহিত্য, নীতি, সভ্যতা, সংস্কৃতি আদি বেদৰ আলমতে গঢ়ি উঠিছে। বেদ একেলগে জ্ঞান, কৰ্ম আৰু ধৰ্মৰ অপূৰ্ব সংমিশ্ৰণ। বেদত আৰ্যসকলৰ প্ৰাচীনতম সভ্যতা, কীৰ্তিৰ পৰিচয় পোৱা যায়— কেৱল বেদৰ মাধ্যমতেই বৈদিক আৰ্য-সংস্কৃতিৰ পৰিচয় লাভ কৰা যায়। বেদক অৱলম্বন কৰিয়েই আৰ্যজাতিৰ ধৰ্মকৰ্ম আৰু সমাজ চিৰ প্ৰতিষ্ঠিত হৈছে। পণ্ডিত ৰাধাকৃষ্ণণৰ মতে, "বেদ মানৱ মনৰ পৰা উদ্ভূত একেবাৰে আদিতম গ্ৰন্থ যাক আমি প্ৰামাণিক গ্ৰন্থ হিচাপে অধিকাৰ কৰি আছোঁ" ('The Vedas are the earliest of the human mind that we possess)। ৰাধাকৃষ্ণণক সমৰ্থন কৰি পণ্ডিত উইলচনে কৈছে, "প্ৰাচীনতম ধৰ্মবিশ্বাসৰ সকলো গুৰুত্বপূৰ্ণ বিষয়ৰ পৰ্যাপ্ত জ্ঞান বেদৰ পৰাই লাভ

কৰা যায়” (The Vedas give us abundant information respecting all that is most interesting in the contemplation of antiquity.)। গতিকে ভাৰতীয় দৰ্শন-সাহিত্যত বেদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

সংস্কৃত ‘ৱেদ’ শব্দটো উৎপত্তি হৈছে ‘ৱিদ’ ধাতুৰ পৰা। ৱিদ + অচ্‌ = ৱেদ। ‘ৱিদ’ৰ অৰ্থ হ’ল ‘জনা’; গতিকে *ৱেদ শব্দৰ ধাতুগত অৰ্থ হ’ল জ্ঞান বা বিদ্যা।* জ্ঞান ইন্দ্ৰিয়লব্ধ আৰু অতীন্দ্ৰিয় হ’ব পাৰে। ইন্দ্ৰিয়লব্ধ জ্ঞান পাৰ্থিৱ জগতৰ জ্ঞান। প্ৰত্যক্ষ, অনুমান প্ৰভৃতি প্ৰমাণৰ দ্বাৰা আমি যি জ্ঞান লাভ কৰোঁ সি হ’ল পাৰ্থিৱ জ্ঞান। চকু, কাণ, নাক, জিভা আৰু ছাল— এই পাঁচটা ইন্দ্ৰিয়ৰ মাধ্যমত আমি যথাক্ৰমে ৰূপ, শব্দ, গোন্ধ, ৰস আৰু স্পৰ্শৰ জ্ঞান লাভ কৰোঁ আৰু এই সকলোবোৰ জ্ঞানেই হৈছে ইন্দ্ৰিয়জ জ্ঞান। কিন্তু এইবিলাক প্ৰমাণ অথবা জ্ঞানেন্দ্ৰিয়ৰ জৰিয়তে অতীন্দ্ৰিয় বিষয়ৰ জ্ঞান লাভ কৰা সম্ভৱ নহয়। অতীন্দ্ৰিয় পৰমজ্ঞান লাভ কৰা যায় কেৱল বেদৰ পৰা। গতিকে *বেদ শব্দৰ সম্পূৰ্ণ অৰ্থ হৈছে অতীন্দ্ৰিয় পৰমজ্ঞান।* আন এটা অৰ্থত বেদ বুলিলে সেইবিলাক বাক্যসমষ্টিক বুজোৱা হয় য’ত এই পৰমজ্ঞান সন্নিবিষ্ট হৈ আছে। যাজ্ঞবল্ক্যৰ মতে,

*‘প্ৰত্যক্ষেণানুমিত্যা বা যস্তুপায়ো ন ৱিদ্যতে*
*এনং ৱিদন্তি ৱেদেন তস্মাদ্ ৱেদস্য ৱেদতা।।’*

অৰ্থাৎ প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা যি জ্ঞান লাভ কৰাৰ কোনো উপায় নাই, সেই জ্ঞান বেদৰ পৰা লাভ কৰা যায় বাবে এই ধৰ্মগ্ৰন্থক ‘বেদ’ বুলি অভিহিত কৰা হয়। যাৰ দ্বাৰা ধৰ্ম আৰু অধৰ্ম আদি সকলো বিষয়ৰে জ্ঞান লাভ কৰা যায় সিয়েই বেদ। বেদৰ সহায়তে অলৌকিক পাৰমাৰ্থিক তত্ত্বৰ জ্ঞান লাভ কৰিব পাৰি। বেদ ধৰ্মতত্ত্ব আৰু ব্ৰহ্মতত্ত্ব প্ৰতিপাদক অপৌৰুষেয় শ্ৰুতিবচন। বৈদিক আচাৰ্যসকলৰ মতে, ধৰ্মতত্ত্ব আৰু ব্ৰহ্মতত্ত্বৰ জ্ঞান একমাত্ৰ বেদৰ পৰাই লাভ কৰা যায় (ধৰ্মব্ৰহ্মণী ৱৈদেকৱেদ্যে)। মনুৰ মতে, বেদ অখিল ধৰ্মৰ মূল (ৱেদোইখিলো ধৰ্মমূলম্)। ধৰ্মশাস্ত্ৰকাৰ গৌতমেও অনুৰূপ মন্তব্য কৰি কৈছে, ‘ৱেদো ধৰ্মমূলম্’। গতিকে বেদ বুলিলে সংক্ষেপে কোৱা যায় যে, যি শাস্ত্ৰত ধৰ্ম আৰু তাৰ লগত যুক্ত কৰ্ম, কৰ্মফল, যজ্ঞ, যজ্ঞফল, স্বৰ্গ, পৰলোকতত্ত্ব, অদৃষ্ট

কৰা যায়" (The Vedas give us abundant information respecting all that is most interesting in the contemplation of antiquity.)। গতিকে ভাৰতীয় দৰ্শন-সাহিত্যত বেদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

সংস্কৃত 'বেদ' শব্দটো উৎপত্তি হৈছে 'ৱিদ' ধাতুৰ পৰা। বিদ + অচ্ = বেদ। 'বিদ'ৰ অৰ্থ হ'ল 'জনা'; গতিকে *বেদ শব্দৰ ধাতুগত অৰ্থ হ'ল জ্ঞান বা বিদ্যা।* জ্ঞান ইন্দ্ৰিয়লব্ধ আৰু অতীন্দ্ৰিয় হ'ব পাৰে। ইন্দ্ৰিয়লব্ধ জ্ঞান পাৰ্থিৱ জগতৰ জ্ঞান। প্ৰত্যক্ষ, অনুমান প্ৰভৃতি প্ৰমাণৰ দ্বাৰা আমি যি জ্ঞান লাভ কৰোঁ সি হ'ল পাৰ্থিৱ জ্ঞান। চকু, কাণ, নাক, জিভা আৰু ছাল— এই পাঁচটা ইন্দ্ৰিয়ৰ মাধ্যমত আমি যথাক্ৰমে ৰূপ, শব্দ, গোন্ধ, ৰস আৰু স্পৰ্শৰ জ্ঞান লাভ কৰোঁ আৰু এই সকলোবোৰ জ্ঞানেই হৈছে ইন্দ্ৰিয়জ জ্ঞান। কিন্তু এইবিলাক প্ৰমাণ অথবা জ্ঞানেন্দ্ৰিয়ৰ জৰিয়তে অতীন্দ্ৰিয় বিষয়ৰ জ্ঞান লাভ কৰা সম্ভৱ নহয়। অতীন্দ্ৰিয় পৰমজ্ঞান লাভ কৰা যায় কেৱল বেদৰ পৰা। গতিকে *বেদ শব্দৰ সম্পূৰ্ণ অৰ্থ হৈছে অতীন্দ্ৰিয় পৰমজ্ঞান।* আন এটা অৰ্থত বেদ বুলিলে সেইবিলাক বাক্যসমষ্টিক বুজোৱা হয় য'ত এই পৰমজ্ঞান সন্নিবিষ্ট হৈ আছে। যাজ্ঞবল্ক্যৰ মতে,

*'প্ৰত্যক্ষেণানুমিত্যা বা যস্তুপায়ো ন ৱিদ্যতে*
*এনং ৱিদন্তি ৱেদেন তস্মাদ্ ৱেদস্য ৱেদতা।।'*

অৰ্থাৎ প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা যি জ্ঞান লাভ কৰাৰ কোনো উপায় নাই, সেই জ্ঞান বেদৰ পৰা লাভ কৰা যায় বাবে এই ধৰ্মগ্ৰন্থক 'বেদ' বুলি অভিহিত কৰা হয়। যাৰ দ্বাৰা ধৰ্ম আৰু অধৰ্ম আদি সকলো বিষয়ৰে জ্ঞান লাভ কৰা যায় সিয়েই বেদ। বেদৰ সহায়তে অলৌকিক পাৰমাৰ্থিক তত্ত্বৰ জ্ঞান লাভ কৰিব পাৰি। বেদ ধৰ্মতত্ত্ব আৰু ব্ৰহ্মতত্ত্ব প্ৰতিপাদক অপৌৰুষেয় শ্ৰুতিবচন। বৈদিক আচাৰ্যসকলৰ মতে, ধৰ্মতত্ত্ব আৰু ব্ৰহ্মতত্ত্বৰ জ্ঞান একমাত্ৰ বেদৰ পৰাই লাভ কৰা যায় (ধৰ্মব্ৰহ্মণী ৱৈদেকৱেদ্যে)। মনুৰ মতে, বেদ অখিল ধৰ্মৰ মূল (ৱেদোইখিলো ধৰ্মমূলম্)। ধৰ্মশাস্ত্ৰকাৰ গৌতমেও অনুৰূপ মন্তব্য কৰি কৈছে, 'ৱেদো ধৰ্মমূলম্'। গতিকে বেদ বুলিলে সংক্ষেপে কোৱা যায় যে, যি শাস্ত্ৰত ধৰ্ম আৰু তাৰ লগত যুক্ত কৰ্ম, কৰ্মফল, যজ্ঞ, যজ্ঞফল, স্বৰ্গ, পৰলোকতত্ত্ব, অদৃষ্ট

প্ৰভৃতি ধৰ্ম সম্বন্ধীয় যাবতীয় জ্ঞান; আৰু ব্ৰহ্ম, মোক্ষ ইত্যাদি বিষয়ৰ জ্ঞান লাভ কৰা যায়, সেই শাস্ত্ৰকেই বেদ বোলা হয়। বেদ নিত্য, সত্য, পবিত্ৰ আৰু স্বতঃপ্ৰামাণ্য গ্ৰন্থ।

'বেদ' শব্দৰ প্ৰতিশব্দ হিচাপে বহুতো বৈদিক আচাৰ্যই 'শ্ৰুতি', 'আগম', 'ছন্দস্', 'ত্ৰয়ী বা ত্ৰয়ীবিদ্যা' প্ৰভৃতি শব্দ ব্যৱহাৰ কৰিছে। 'শ্ৰুতি' শব্দৰ অৰ্থ শ্ৰৱণ। অনাদি কালৰে পৰা বেদ গুৰু, শিষ্য, প্ৰশিষ্য আদিৰ মুখৰ পৰা শ্ৰৱণ কৰি ৰক্ষিত হোৱা বাবে ইয়াক শ্ৰুতি বুলি কোৱা হয়। বহুকাল পিছত শ্ৰুতবচনবোৰ লিপিবদ্ধ হয়। শ্ৰীশ্ৰীশংকাৰচাৰ্য, ঋষি বাদৰায়ণ প্ৰভৃতি বেদান্তাচাৰ্যাসকলে 'শ্ৰুতি' সংজ্ঞাৰ দ্বাৰা বেদৰ উল্লেখ কৰিছে। বেদক আগম বুলিও কোৱা হয়। আপ্তবাক্য অৰ্থাৎ বিশ্বাসযোগ্য ব্যক্তিৰ বাক্য শ্ৰৱণ কৰাৰ পিছত সেই বাক্য নিৰ্দেশিত বস্তুৰ জ্ঞান উৎপন্ন হ'লে তাক আগম বোলা হয়। বেদ আৰু বেদানুসাৰী স্মৃতি, পুৰাণ প্ৰভৃতিক আগম প্ৰমাণ বোলা হয়, কাৰণ এইবোৰৰ পৰা শব্দাৰ্থ বিষয়ক নিশ্চিয়াত্মক চিত্তবৃত্তি উৎপন্ন হয়। পাণিনিয়ে তেওঁৰ ব্যাকৰণসূত্ৰত বেদক বুজাবলৈ 'ছন্দস্' বা 'ছন্দঃ' প্ৰতিশব্দটো ব্যৱহাৰ কৰিছে। বেদক ত্ৰয়ীবিদ্যা বা ত্ৰয়ী বুলিও কোৱা হয়। ঋকবেদ, সামবেদ আৰু যজুৰ্বেদ— এই তিনিবেদক একত্ৰে ত্ৰয়ী বোলা হয়। বেদ যদিও চাৰিখন, কিন্তু বেদৰ মাজত অথৰ্ববেদৰ স্থান আছে নে নাই— এই লৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে।

বেদক 'অপৌৰুষেয়' বোলা হয়। কাৰণ বেদ কোনো পুৰুষৰ দ্বাৰা ৰচিত হোৱা নাই। বেদ কোনো সাধাৰণ গ্ৰন্থৰ দৰে সসীম মানুহৰ দ্বাৰা ৰচিত হোৱা নাই। পৰমেশ্বৰৰ বাণী সৰ্বপ্ৰথম ঋষিসকলে অলৌকিক যোগশক্তিৰ সহায়ত শ্ৰৱণ কৰে আৰু তাৰ পিছত সেইবোৰ প্ৰচলিত হয় এক ঋষিৰ স্মৃতিৰ পৰা অন্য এক ঋষিৰ স্মৃতিত— গুৰুৰ পৰা শিষ্য— এইদৰে এজনৰ পৰা আনজনৰ শ্ৰৱণৰ মাধ্যমত বেদ সংৰক্ষিত হয়। গতিকে বেদ কোনো মানুহ বা পুৰুষৰ সৃষ্টি নহয়। 'বেদৰ কোনো স্ৰষ্টা বা ৰচয়িতা নাই'— এই অৰ্থতেই বেদ অপৌৰুষেয়। শাতপথ ব্ৰাহ্মণত ইয়াকে উল্লেখ কৰি কোৱা হৈছে যে, জগত সৃষ্টিৰ আদিকৰ্তা হিৰণ্যগৰ্ভ ব্ৰহ্মা যজ্ঞাদি কৰ্ম সম্পাদন কৰি সৃষ্টি ৰক্ষাৰ বাবে অগ্নিৰ পৰা ঋক, বায়ুৰ পৰা যজুঃ আৰু সূৰ্যৰ পৰা সামবেদৰ প্ৰকাশ কৰিছিল। সেইকাৰণে দেৱতা অগ্নি,

বায়ু আৰু সূৰ্য হ'ল যথাক্ৰমে ঋক, যজুঃ আৰু সামবেদৰ অধিকাৰী। ঋষিসকলৰ কৰ্মাই বেদ আৰু বৈদিক ধৰ্ম সমাজত প্ৰচলিত হয় আৰু যি ঋষিয়ে বেদৰ যি মন্ত্ৰ সংগৃহীত কৰিছে বেদৰ শাখাবোৰ সেই ঋষিৰ নামত বিভক্ত হৈছে। গতিকে ঋষিসকল বেদৰ কৰ্তা বা স্ৰষ্টা নহয়, তেওঁলোক বেদৰ দ্ৰষ্টামাত্ৰ।

বেদক ত্ৰয়ীবিদ্যা বুলি কোৱা হ'লেও যথাৰ্থতে বেদ চাৰিখন। কৃষ্ণদ্বৈপায়ন বা ব্যাসদেৱ চতুৰ্বেদৰ বিভাগকৰ্তা। সেইকাৰণে তেওঁক বেদব্যাস বুলি অভিহিত কৰা হয়। ব্যাসদেৱে বেদক চাৰিভাগত ভাগ কৰিছে— ঋকবেদ, সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ। ঋকবেদত সেই মন্ত্ৰ সংগৃহীত আছে যিবোৰ দেৱতাসকলৰ স্তুতিৰ কাৰণে গোৱা হয়; যজুৰ্বেদত যজ্ঞৰ বিধিসমূহ বৰ্ণনা কৰা আছে; সামবেদ সংগীত প্ৰধান; আৰু অথৰ্ববেদত যাদু, মন্ত্ৰ-তন্ত্ৰ নিহিত আছে। এই চাৰিবেদৰ ভিতৰত ঋকবেদক প্ৰধান আৰু মৌলিক গ্ৰন্থ বুলি পৰিগণিত কৰা হয়। ইয়াৰ দুটা কাৰণ আছে— এটা হ'ল, ঋকবেদত আন বেদৰ তুলনাত অধিক বিষয় সন্নিবিষ্ট হৈ আছে; আন কাৰণটো হ'ল, ঋকবেদ অন্য বেদৰ তুলনাত অধিক প্ৰাচীনতম গ্ৰন্থ।

## বেদৰ অংশ
## (Parts of Vedas)

প্ৰত্যেক বেদৰে আকৌ চাৰিটাকৈ অংশ আছে— মন্ত্ৰ বা সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। মন্ত্ৰৰ সংকলনক 'সংহতি' কোৱা হয়; সংহিতাত আছে দেৱতাসকলৰ প্ৰাৰ্থনাৰ বাবে ৰচিত মন্ত্ৰসমূহ। সংহিতা বেদৰ ক্ৰিয়াকাণ্ডৰ লগত যুক্ত। ব্ৰাহ্মণ অংশত আছে বৈদিক যজ্ঞৰ সুস্থ সম্পাদনৰ বাবে ৰচিত বিধি-নিয়মসমূহ। মন্ত্ৰৰ তত্ত্বসাধনা আৰু বিবিধ যাজ্ঞ-যজ্ঞৰ বিৱৰণ ব্ৰাহ্মণ অংশত পোৱা যায়। এক কথাত, ব্ৰাহ্মণ হ'ল মন্ত্ৰৰ অৰ্থ আৰু ব্যৱহাৰৰ দিশ। আৰণ্যক হ'ল বেদৰ তৃতীয় অংশ। ইয়াত অৰণ্যত বসবাসীকাৰীসকলৰ উপাসনা বা কৰ্তব্যৰ দিশসমূহ লিপিবদ্ধ কৰা আছে। বেদৰ অন্তিম অংশই উপনিষদ। সেইকাৰণে উপনিষদক বেদান্ত বুলিও কোৱা হয়। উপনিষদত জগত-জীৱনৰ উচ্চতৰ সত্যৰ সন্ধান পোৱা যায়। বেদৰ তত্ত্বগত আৰু দাৰ্শনিক চিন্তাৰ চৰম

প্ৰকাশ ঘটিছে উপনিষদত। সেইকাৰণে বহুতে উপনিষদক বেদৰ শ্ৰেষ্ঠ অংশ বুলি অভিহিত কৰিছে। বেদৰ এই চাৰিটা অংশক আকৌ বিষয়বস্তুৰ ফালৰ পৰা তিনিটা ভাগত ভাগ কৰা হৈছে— কৰ্মকাণ্ড, উপাসনাকাণ্ড আৰু জ্ঞানকাণ্ড। বেদৰ সংহিতা আৰু ব্ৰাহ্মণ অংশ কৰ্মকাণ্ডৰ ভিতৰত পৰে; আৰণ্যক অংশ হ'ল উপাসনা কাণ্ড; আৰু বেদৰ অন্তিম অংশ উপনিষদ হ'ল জ্ঞানকাণ্ড।

## বেদৰ উৎপত্তিকাল

## (Dates of Vedas)

বেদৰ আবিৰ্ভাৱ বা উৎপত্তিৰ কাল সন্দৰ্ভত পণ্ডিতসকলৰ মাজত মতভেদ আছে। মাৰ্টিন আৰু কোলব্ৰুকৰ মতে, খ্ৰীষ্টপূৰ্ব ২০ শতিকাৰ পৰা ১৪ শতিকাৰ ভিতৰত বেদৰ আবিৰ্ভাৱ ঘটিছে। মেক্সমূলাৰৰ মতে, বেদৰ আবিৰ্ভাৱ ঘটিছে খ্ৰীষ্টপূৰ্ব ১২০০ বছৰ পৰ্বে। হগৰ (Haug) মতে, ২৪০০ বছৰ আৰু বাল গংগাধৰ তিলকৰ মতে, খ্ৰীষ্টপূৰ্ব ৪০০০ বছৰ পূৰ্বে প্ৰথম বেদৰ আবিৰ্ভাৱ ঘটে। বাল গংগাধৰ তিলকক সমৰ্থন কৰি অধ্যাপক জেকবিও (Jacobi) কৈছে যে, বৈদিক মন্ত্ৰবোৰৰ কাল আনুমানিক ৪০০০ খ্ৰীষ্টপূৰ্ব। ড° ৰাধাকৃষ্ণণৰ মতে, বেদ উৎপত্তিৰ আনুমানিক কাল ১৫০০ খ্ৰীষ্টপূৰ্ব। গতিকে বেদ উৎপত্তিৰ সঠিক কাল নিৰ্ধাৰণ কৰা নগ'লেও এটা কথা ডাঠি কব পৰা যায় যে, যিশু খ্ৰীষ্টৰ জন্মৰ বহু পূৰ্বেই বেদৰ উৎপত্তি হৈছিল আৰু সুদীৰ্ঘকাল এই দৰ্শন-সাহিত্য মুখে মুখে সংৰক্ষিত আৰু সংকলিত হৈছিল।

CamScanner